অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং : ৩৮৪
উত্তৰ দানৰ তাৰিখ –১৫/০৭/২০২৬

*বিষয়* : **PMAY আৱাস গৃহ সন্দৰ্ভত**
বিধায়ক: শ্ৰীৰমাকান্ত দেউৰীঃ

প্ৰশ্ন

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ অধীনত কিমান পৰিয়ালক গৃহ প্ৰদান কৰা হ'ল আৰু কিমান পৰিয়ালক বৰ্তমানেও দিব আছে ? তথ্য সহকাৰে জনাব।

(খ) মৰিগাঁও সমষ্টিত ২০২১ চনৰ পৰা বৰ্তমানলৈ PMAYৰ গৃহ কিমান টা পৰিয়ালে আৱণ্টন পালে ? কিমান গৃহ সম্পূৰ্ণ হ'ল আৰু কিমান পৰিয়ালে বৰ্তমানেও PMAY ৰ গৃহ আৱণ্টন পাবলৈ বাকী আছে ? তথ্য সহকাৰে জনাব।

উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী **শ্ৰীযুত অতুল বৰা** দেৱে উত্তৰ দিবঃ

(ক) প্ৰধানমন্ত্ৰী আৱাস যোজনা- গ্ৰামীণ আঁচনিখনৰ অধীনত অসমত এতিয়ালৈ ২৯,০৮,৯৩৬ টা গৃহৰ আৱণ্টন দিয়া হৈছে আৰু ইয়াৰ ভিতৰত ২২,৬০,০২৪ টা গৃহৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈছে। বাকী থকা ৬,৪৮,৯১২ টা গৃহ নিৰ্মীয়মাণ অৱস্থাত আছে।

প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত Awaas+ 2024 জৰীপৰ জৰিয়তে Framework for Implementation (FFI), PMAY-G Guidelines অনুসৰি যোগ্য পৰিয়ালসমূহৰ সঠিক চিনাক্তকৰণ আৰু তালিকা উন্নীতকৰণৰ লক্ষ্য আগত ৰাখি ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি Awaas+ 2024 App ৰ জৰিয়তে ২০২৫ চনৰ অক্টোবৰ/নৱেম্বৰ মাহত জৰীপ সম্পন্ন কৰা হয়। এই জৰীপৰ জৰিয়তে অসমত মুঠ ৩৪,৯৯,১৪৪ টা পৰিয়ালৰ জৰীপ কৰা হৈছে আৰু ইয়াৰ 'Eligibility Criteria check' কৰি (Permanent Wait List) PWL গঠনৰ কামসমূহ কৰি থকা হৈছে।

(খ) মৰিগাওঁ সমষ্টিৰ অন্তৰ্গত দুটা উন্নয়ন খণ্ড আছে- ভূৰবন্ধা উন্নয়ন খণ্ড আৰু কপিলী উন্নয়ন খণ্ড। এই দুয়োটা উন্নয়ন খণ্ডত ২০২১ চনৰ পৰা বৰ্তমানলৈ প্ৰধানমন্ত্ৰী আৱাস যোজনা -গ্ৰামীণ আঁচনি খনৰ অধীনত মুঠ ১৯,৫৬০ টা পৰিয়ালে গৃহ আৱণ্টন পাইছে। ইয়াৰে মুঠ ১৫,৭৯০ টা গৃহ সম্পূৰ্ণ কৰা হ'ল আৰু বাকী থকা ৩,৭৭০ টা গৃহ নিৰ্মীয়মাণ অৱস্থাত আছে।

মৰিগাঁও সমষ্টিত PMAY-G-ৰ অধীনত গৃহ নিৰ্মাণৰ অগ্ৰগতি (২০২১ চনৰ পৰা বৰ্তমানলৈ)

| ক্ৰমিক নং | উন্নয়ন খণ্ড | আৱণ্টিত গৃহ | সম্পূৰ্ণ হোৱা গৃহ | নিৰ্মীয়মাণ গৃহ |
|---|---|---|---|---|
| ১ | ভূৰবন্ধা উন্নয়ন খণ্ড | ১২,১০২ | ৯,৭০৭ | ২,৩৯৫ |
| ২ | কপিলী উন্নয়ন খণ্ড | ৭,৪৫৮ | ৬,০৮৩ | ১,৩৭৫ |
| মুঠ | | ১৯,৫৬০ | ১৫,৭৯০ | ৩,৭৭০ |

মৰিগাঁও সমষ্টিত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত Awaas+ 2024 জৰীপৰ জৰিয়তে মুঠ ২৪,৩৭১ টা পৰিয়ালৰ জৰীপ কৰা হৈছে। ইয়াৰ ভিতৰত ভূৰবন্ধা উন্নয়ন খণ্ডত ১৪,৬২০ টা পৰিয়ালৰ জৰীপ কৰা হৈছে আৰু কপিলী উন্নয়ন খণ্ডত ৯৭৫১ টা পৰিয়ালৰ জৰীপ কৰা হৈছে আৰু Framework for Implementation (FFI), PMAY-G Guidelinesৰ ভিত্তিত যোগ্য হিতাধিকাৰীৰ সঠিক চিনাক্তকৰণ আৰু তালিকা উন্নীতকৰণ কৰি এখন Permanent Wait List (PWL) ৰ তালিকা প্ৰস্তুত কৰাৰ কাম আৰম্ভ কৰা হৈছে।

*******